নং ঃ ৩৭৮/২০২০

**কৰ'না ভাইৰাছ অতিমাৰীৰ ফলত শিক্ষাখণ্ডত দেখা দিয়া প্ৰত্যাহ্বান মোকাবিলা কৰাৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ সৈতে মুখ্যমন্ত্ৰী সোণোৱালৰ বৈঠক**

# কৰ'না ভাইৰাছ সংক্ৰমণৰ মাজতো ৰাজ্যৰ শিক্ষা ব্যৱস্থা সৱলভাৱে আগুৱাই নিবৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলক কৰ্মসূচী প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰী সোণোৱালৰ আহ্বান

## শিক্ষাখণ্ডত দেখা দিয়া জটিলতা অতিক্ৰম কৰাৰ ক্ষেত্ৰত বিদ্বৎ সমাজে নেতৃত্ব বহন কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৩ মে' ঃ** সম্প্ৰতি কৰ'না ভাইৰাছ অতিমাৰীৰ ফলস্বৰূপে শিক্ষাখণ্ডত দেখা দিয়া প্ৰত্যাহ্বান মোকাবিলা কৰাৰ বাবে গ্ৰহণ কৰিবলগীয়া প্ৰয়োজনীয় ব্যৱস্থাৱলী সম্পৰ্কে আলোচনা কৰাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কেইবাগৰাকীও ডীন আৰু বিভিন্ন বিভাগৰ মূৰব্বী অধ্যাপকৰ সৈতে ডিব্ৰুগড় জিলা উপায়ুক্তৰ সভাকক্ষত এক বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰী সোণোৱালে কৰ'না ভাইৰাছ সংক্ৰমণৰ ভয়াবহ পৰিস্থিতিৰ মাজতো ৰাজ্যৰ শিক্ষা ব্যৱস্থা সবলভাৱে আগুৱাই নিবৰ বাবে বিশ্ববিদ্যালয়খনৰ অধ্যাপকসকলক এক কৰ্মসূচী প্ৰস্তুত কৰি ৰাজ্য চৰকাৰক প্ৰদান কৰিবলৈ এই বৈঠকত আহ্বান জনায়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যৰ অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ৰাজ্যবাসীয়ে সন্মুখীন হোৱা বিভিন্ন জটিল সময়ত দিক নিৰ্দেশনা প্ৰদান কৰি আহিছে। কৰ'না ভাইৰাছ সংক্ৰমণৰ ফলস্বৰূপে সম্প্ৰতি ৰাজ্যবাসী যি প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে আৰু বিশেষকৈ ৰাজ্যৰ শিক্ষাখণ্ড যিধৰণৰ জটিলতাৰ মাজেৰে গতি কৰিছে সেই দিশৰ প্ৰতি লক্ষ্য ৰাখি বিশ্ববিদ্যালয়খনে গুৰু দায়িত্ব বহন কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে যিহেতু বৰ্তমানে পূৰ্বাপৰ চলি অহা ব্যৱস্থাৰ মাধ্যমেদি ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰাটো সম্ভৱ হৈ থকা নাই সেয়েহে অনলাইন শিক্ষা ব্যৱস্থাৰ লগতে কেনেধৰণৰ উদ্ভাৱনীমূলক ব্যৱস্থা গ্ৰহণ কৰিলে ৰাজ্যৰ সকলোস্তৰৰ ছাত্ৰ সমাজক সামৰি ল'ব পৰা যাব সেই দিশত বিশ্ববিদ্যালয়খনে গভীৰ মন্থনেৰে এক কৰ্মসূচী যুগুত কৰিব লাগিব।

মুখ্যমন্ত্ৰীয়ে কয় যে যিকোনো বিপদৰ সময়ত সমাজে শিক্ষিত চামলৈ দিহা-পৰামৰ্শৰ বাবে আশাৰে বাট চাই ৰ'য়। বৰ্তমান সময়ছোৱাতো এই জটিলতাৰ পৰা উদ্ধাৰ পোৱাৰ বাবে ৰাজ্যবাসীয়ে বিদ্বৎ সমাজলৈ আস্থাৰে বাট চাইছে। সেয়েহে কৰ'না ভাইৰাছ সংক্ৰমণে সৃষ্টি কৰা বিভীষিকাই যাতে সৰ্বসাধাৰণক মানসিকভাৱে দুৰ্বল কৰি তুলিব নোৱাৰে আৰু তেওঁলোক হতাশগ্ৰস্ত নহয়, তাৰ বাবে বিশ্ববিদ্যালয়ৰ চৌহদৰ পৰাই এক সৱল ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিব লাগিব। সম্প্ৰতি কৰ'না ভাইৰাছ প্ৰতিৰোধী কোনো প্ৰতিষেধক যিহেতু আৱিষ্কাৰ হোৱা নাই সেইবাবে সামাজিক ব্যৱধান মানি চলাৰ লগতে ফেচ মাস্ক পৰিধান

কৰা আৰু জনসমাগম পৰিহাৰ কৰি চলাৰ কোনো গত্যন্তৰ নাই। এই সাৱধনতামূলক পদক্ষেপসমূহৰ সম্পৰ্কে সমাজত যাতে অধিক ৰূপত সজাগতা সৃষ্টি হয় তাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী সোণোৱালে বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলক আহ্বান জনায়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক'ভিড-১৯ সংক্ৰমণৰ বিৰুদ্ধে যুঁজ দিয়াৰ সমান্তৰালভাৱে কৰ্ম পথাৰতো ৰাজ্যবাসীয়ে নিজকে জড়িত কৰি আগুৱাই যাব লাগিব। কৰ'না ভাইৰাছ সংক্ৰমণৰ ফলত জটিল প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা অৰ্থনীতি যাতে পুনৰুদ্ধাৰ কৰিব পৰা যায় তাৰ বাবে ৰাজ্যবাসীক বাট দেখুৱাবলৈও মুখ্যমন্ত্ৰী সোণোৱালে বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলক আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ অৰ্থনীতি পুনৰ সজীৱ কৰি তোলাৰ বাবে শেহতীয়াকৈ ২০ লাখ কোটি টকাৰ যি আৰ্থিক পেকেজ ঘোষণা কৰিছে সেই পেকেজৰ জৰিয়তে ৰাজ্যৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, আত্ম-সহায়ক গোট তথা কৃষক-শ্ৰমিকসকল কেনেধৰণে উপকৃত হ'ব পাৰে সেই বিষয়ে বিশদ অধ্যয়নেৰে অধ্যাপকসকলক মুখ্যমন্ত্ৰী সোণোৱালে ৰাজ্যবাসীক পৰামৰ্শ আগবঢ়াবলৈও আহ্বান জনায়।

বৈঠকত অংশ গ্ৰহণ কৰি বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলে কয় যে কৰ'না ভাইৰাছ সংক্ৰমণৰ ফলস্বৰূপে বিশ্বজুৰি যি পৰিৱেশৰ সৃষ্টি হৈছে সেয়া অভাৱনীয়। যিহেতু এনে এক প্ৰত্যাহ্বানৰ বাবে ৰাজ্যৰ শিক্ষা ব্যৱস্থা সাঁজু নাছিল তাৰ ফলত ছাত্ৰ-ছাত্ৰীক সম্পূৰ্ণৰূপে উপকৃত কৰিব পৰাকৈ বৰ্তমানে শিক্ষা প্ৰদান কৰাটো সম্ভৱ হৈ উঠা নাই। অনলাইন শিক্ষা ব্যৱস্থাৰ সীমাবদ্ধতাৰ কথা উল্লেখ কৰি অধ্যাপকসকলে কয় যে এই ব্যৱস্থা সম্পূৰ্ণৰূপে ফলপ্ৰসূ হৈ উঠাত যথেষ্ট জটিলতা আছে বিশেষকৈ দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলে এই শিক্ষাৰে লাভান্বিত হ'ব নোৱাৰিব আৰু চিকিৎসা শাস্ত্ৰ, অভিযান্ত্ৰিক পাঠ্যক্ৰমকে ধৰি কাৰিকৰী পাঠ্যক্ৰমৰ ক্ষেত্ৰত অনলাইন শিক্ষা ব্যৱস্থা সম্পূৰ্ণৰূপে ফলপ্ৰসূ নহয়। শিক্ষাৰ গুণগত মান বৰ্তাই ৰখাৰ ক্ষেত্ৰটো অনলাইন শিক্ষা ব্যৱস্থাত সীমাবদ্ধতা আছে বুলি অধ্যাপকসকলে মন্তব্য কৰে।

যোৰহাট লোকসভা সমষ্টিৰ সংসাদ তপন কুমাৰ গগৈ, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, লাহোৱালৰ বিধায়ক ঋতুপৰ্ণ বৰুৱা, সোণোৱাল কছাৰী স্বায়িত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডিপু ৰঞ্জন মাক্ৰাৰী, ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদৰ উপাধ্যক্ষ সুভাষ দত্ত আৰু ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝাৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ক্ৰমে লক্ষীৰাম শইকীয়া, প্ৰাঞ্জল বেজবৰুৱা, চন্দন শৰ্মা, জিতেন হাজৰিকা, উপ-পঞ্জীয়ক পৰমানন্দ সোণোৱালৰ লগতে বিশ্ববিদ্যালয়খনৰ ৫০ গৰাকী অধ্যাপক উপস্থিত থাকে।

**সুঃমিঃকঃ / বীঃগঃ**
**২৩/০৫/২০২০**